অধ্যায় ১ ঃ সমাজৰ উৎপত্তি আৰু বিকাশ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ সমাজৰ অর্থ আৰু সংজ্ঞা

১.৪ সমাজৰ উৎপত্তি আৰু বিৱর্তন

১.৫ মানৱ সমাজৰ প্রকৃতি

১.৫.১ সমাজৰ উপাদান

১.৫.২ সমাজৰ বৈশিষ্ট্য

১.৫.৩ সমাজৰ প্রকাৰ

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- সমাজৰ অর্থ আৰু সংজ্ঞা আলোচনা কৰিব পাৰিব
- মানৱ সমাজৰ প্রকৃতি সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- সমাজৰ উপাদানবোৰৰ বিৱৰণ আগবঢ়াব পাৰিব
- সমাজৰ বৈশিষ্ট্যবোৰ আলোচনা কৰিব পাৰিব
- সমাজৰ উৎপত্তি আৰু বিৱর্তন সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- সমাজৰ প্রকাৰবোৰ চিহ্নিত কৰিব পাৰিব

১.২ পৰিচয়

এই অধ্যায়টোৱে আপোনাক সমাজৰ উৎপত্তি আৰু বিকাশৰ লগত পৰিচয় কৰাব। অধ্যায়টোৱে কিছুমান গুৰুত্বপূর্ণ ধাৰণা যেনে সমাজৰ অর্থ আৰু সংজ্ঞা, মানৱ সমাজৰ প্রকৃতি, সমাজৰ উপাদান, সমাজৰ বৈশিষ্ট্যসমূহ, সমাজৰ উৎপত্তি আৰু বিৱর্তন আৰু সমাজৰ প্রকাৰবোৰৰ সম্পর্কে আলোচনা কৰিব।

প্রত্যেক ব্যক্তিয়েই একোখন সমাজৰ সদস্য। জন্মৰ পৰা মৃত্যুলৈকে এজন ব্যক্তি এখন সমাজৰ সদস্য হৈ থাকে। সেয়েহে, ব্যক্তিৰ মনত এনে সমাজৰ উৎপত্তি আৰু বিকাশ সম্পর্কে

অনুসন্ধিৎসাৰ সৃষ্টি হয়। এই অধ্যায়টোৱে সমাজৰ সম্পর্কে বা বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা ধাৰণাবোৰৰ সহায়ত আলোকপাত কৰিব।

১.৩ সমাজৰ অর্থ আৰু সংজ্ঞা

'সমাজ' শব্দটো লেটিন শব্দ 'Socius'ৰ পৰা আহিছে যাৰ অর্থ হ'ল সংগ বা বন্ধুত্ব। সংগৰ অর্থ হ'ল সকলোৰে লগত মিলিব পৰা গুণ। জর্জ চিমেলৰ মতে, সমাজৰ সাৰ ভাগেই হৈছে এই সংগ বা বন্ধুত্বৰ উপাদানবোৰ। ইয়াৰ অর্থ হ'ল যে মানুহে সদায় আন মানুহৰ সংগ বা লগত থাকে।

'সমাজ' শব্দটো এখন সমাজৰ বা এটা দলৰ সদস্যবোৰৰ মাজত থকা সামাজিক সম্পর্কবোৰতকৈ এটা দলৰ বিশেষ সদস্যবোৰক বুজাবলৈহে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, এখন হৰিজন সমাজ। আকৌ, 'সমাজ' শব্দটোৱে কোনো অনুষ্ঠানৰ কথাও বুজায়। উদাহৰণস্বৰূপ, আর্য্য সমাজ, ব্রাহ্ম সমাজ ইত্যাদি। কিন্তু সমাজ বিজ্ঞানত 'সমাজ' শব্দটো কোনো দলৰ সদস্য বা অনুষ্ঠানক বুজাবলৈ ব্যৱহাৰ কৰা নহয়, বৰঞ্চ 'সমাজ' শব্দটোৱে এখন সমাজৰ সদস্যসকলৰ মাজত হোৱা পাৰস্পৰিক সহযোগৰ আদর্শসমূহৰ জটিল ধাৰণাকহে বুজায়। সমাজৰ এটা গুৰুত্বপূর্ণ দিশ হ'ল এই পাৰস্পৰিক সম্পর্কবোৰ যিয়ে এখন সমাজৰ সদস্যসকলৰ মাজৰ পাৰস্পৰিক সম্পর্কক নির্দেশ কৰে।

কিছুমান সমাজ বিজ্ঞানীৰ এখন সমাজ গঠন হয় তেতিয়াৰ মতে যেতিয়া মানুহে ইজনে সিজনক জানে। উদাহৰণস্বৰূপে, একে ঠাইৰ দুজন মানুহে একেখন বাছতে যাত্রা কৰিছে। কিন্তু তেওঁলোক দুয়োজনে ইজনে সিজনক নাজানে বা ইজনে সিজনৰ লগত কথা পতা নাই। এনেকুৱা পৰিস্থিতিত সমাজৰ প্রশ্নটো উদয় নহয়। কিন্তু, তেওঁলোক দুয়োজনে যেতিয়া ইজনে সিজনৰ সংস্পর্শলৈ আহিব বা ইজনে সিজনৰ লগত কথা পাতিব, তেতিয়া সমাজৰ পাৰস্পৰিক সম্পর্ক নামৰ উপাদানটোৰ কথা আহিব। সেয়েহে, পাৰস্পৰিক যোগাযোগ বা পাৰস্পৰিক সম্পর্ক সমাজৰ এটা গুৰুত্বপূর্ণ উপাদান।

মৰিচ গিমবার্গৰ মতে, "এখন সমাজ হ'ল ব্যক্তিৰ সমষ্টি যিসকল বিশেষ সম্পর্ক বা ব্যৱহাৰৰ দ্বাৰা যুক্ত যিয়ে তেওঁলোকক আনবোৰৰ পৰা পৃথক কৰে যিসকলে এনেধৰণৰ সম্পর্ক বা ব্যৱহাৰৰ পৰা নিজকে পৃথক কৰে।"

গিদিংচ্ৰ মতে, "সমাজ নিজেই একগোট, এটা অনুষ্ঠান, কিছুমান ৰীতি□নীতিৰে পৰিচালিত সম্পর্কৰ সমষ্টি, য'ত গোটখোৱা মানুহবোৰে ইজনে সিজনৰ লগত বান্ধ খাই থাকে।"

লেপাইয়াৰৰ মতে, সমাজে কোনো ব্যক্তিৰ দলক নুবুজায়, বৰঞ্চ কিছুমান পাৰস্পৰিক সম্পর্কৰ আদর্শসমূহক দর্শায় যিবোৰ মানুহৰ মাজত সৃষ্টি হয়।"

মেকআইভাৰ আৰু পেজৰ মতে, "সমাজ হ'ল সামাজিক সম্বন্ধৰ এক জটিল জাল।"

গিদিংচ্ে সমাজৰ সংজ্ঞা এনে ধৰণে দিছে, "একে মনস্তৰ বহু ব্যক্তি ত্ব সেয়েহে, একে উদ্দেশ্যৰে অনুপ্রাণিত হৈ একে লক্ষ্য পুৰণ কৰিবলৈ কাম কৰি যায়।"

ৰাইটে কৈছে, " সমাজ কিছুমান ব্যক্তিৰ দল নহয়, ই হ'ল কিছুমান সম্পৰ্কৰ ব্যৱস্থা য'ত বিভিন্ন দলৰ মানুহ বৰ্তি থাকে।"

গ্ৰীণে সমাজক এনে ধৰণে কৈছে, "এখন সমাজ হ'ল এটা বৃহৎ দল য'ত বিভিন্ন ব্যক্তি থাকে।"

মেকআইভাৰে সমাজক সামাজিক সম্পৰ্কৰ এক জটিল জাল বুলি কৈছে। ই বহুত সামাজিক সম্পৰ্ক নিৰ্দেশ কৰে। সেয়েহে, সামাজিক সম্পৰ্কৰ এক আৰ্হি প্ৰস্তুত কৰিবলৈ বৰ কঠিন। ৰাইটে কৈছে, " সমাজ প্ৰধানকৈ হ'ল এক ব্যৱস্থা, এক সম্পৰ্ক আৰু সেয়েহে ই এক আৱশ্যকীয় বিমূৰ্ত ধাৰণা।" ৰয়টাৰে কৈছে, "যেনেদৰে জীৱন এটা বস্তু নহয় বৰঞ্চ ই জীৱন ধৰণৰ এক ব্যৱস্থা বা পদ্ধতি, ঠিক তেনেদৰে সমাজো এটা বস্তু নহয় বৰঞ্চ ই লগ লগাৰ এক পদ্ধতি।"

এই সকলোবোৰ সংজ্ঞা সমাজ আৰু ব্যক্তিৰ মাজত থকা আৱশ্যকীয় সম্পৰ্কক সুচায়। এজন ব্যক্তিয়ে কেতিয়াও অকলশৰীয়াকৈ থাকিব নোৱাৰে। সমাজ হ'ল ব্যক্তিৰ ইচ্ছা, আকাংক্ষা, কল্পনা, আঁচনি, দৃষ্টিভংগী ইত্যাদি কাৰ্য্যত সফল কৰাৰ এক স্থান। সমাজ অবিহনে ব্যক্তি আধৰুৱা। সেয়েহে, এৰিষ্টটলে ব্যক্তি সম্পৰ্কে দিয়া অভিমত "মানুহ এক সামাজিক প্ৰাণী" কথাষাৰ কেৱল তেতিয়াহে সঁচা হ'ব যেতিয়া মানুহে সমাজ আকাৰে বাস কৰিব। সেয়েহে, সমাজৰ গুৰুত্বটো কোনেও উলাই কৰিব নোৱাৰে আৰু সেইবাবে, সমাজৰ প্ৰধান বৈশিষ্ট্যবোৰ আলোচনা কৰাটো বৰ প্ৰয়োজনীয়।

১.৪ সমাজৰ উৎপত্তি আৰু বিৱৰ্তন

এজন শিশু সদায় এখন সমাজত জন্ম পায়। কিন্তু এই সমাজৰ কেতিয়া আৰু কেনেকৈ জন্ম হৈছিল সেইটো কোৱা সম্ভৱ নহয়। এৰিষ্টটলৰ মতে প্ৰত্যেক মানুহৰ মাজত সমাজ আকাৰে বাস কৰাৰ এক প্ৰৱণতা থাকে। সেয়েহে, যেতিয়া তেওঁ অকলে থাকে তেওঁ কেতিয়াও সুখী হ'ব নোৱাৰে। এখন সমাজ গঠন হয় তেতিয়া যেতিয়া ব্যক্তিয়ে নিজৰ প্ৰয়োজনবোৰ পুৰাবলৈ আৰু এটা সুখী তথা শান্তিত জীৱন-যাপন কৰিবলৈ এখন সমাজৰ সৃষ্টি হয়। মানুহৰ সামাজিক প্ৰকৃতিটোও সমাজ গঠনৰ এক গুৰুত্বপূৰ্ণ উৎস। ডিউইৰ মতে সমাজ অবিহনে মানুহৰ বা ব্যক্তিৰ ধাৰণাটো অৰ্থহীন।সমাজৰ উৎপত্তি সম্পৰ্কে দুটা তত্ত্ব আছে।

সামাজিক চুক্তি তত্ত্ব ঃ এই তত্ব মতে সকলো ব্যক্তি জন্মতেই মুক্ত আৰু সমান হৈ জন্ম পায়। ব্যক্তি সদায় সমাজৰ আগত। ব্যক্তিয়ে এক সামাজিক চুক্তি তৈয়াৰ কৰে আৰু এনেদৰে সমাজ গঠন কৰে।

থমাছ হবচ্ৰ মতে, পুৰণি কালত প্ৰকৃতিখন মানুহৰ স্বাৰ্থপৰ স্বভাৱৰ বাবে বহু বাক বিতণ্ডাৰে ভৰি আছিল। সেই সময়ত মানৱ জীৱনবোৰ বৰ নিসংগ, দুখীয়া, জধলা, আসুৰিক আৰু চুটি আছিল। ব্যক্তি ইজন সিজনৰ শত্ৰু হৈ পৰিছিল। সেয়ে, এটা শান্ত জীৱন যাপন কৰিবলৈ আৰু অনাকাংক্ষিত বিপদৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে এটা চুক্তি কৰি সমাজ গঠন কৰিলে।

জন লক এই তত্তৰ আন এজন সমর্থক। তেওঁৰ মতে, প্রকৃতিত কোনো বাক বিতণ্ডা নাই। বৰঞ্চ তেওঁৰ মতে প্রকৃতি হৈছে এক শান্ত, সুভ ইচ্ছা, পাৰস্পৰিক সহযোগ আৰু ৰক্ষনাবেক্ষণৰ এক অৱস্থা। কিন্তু, অসুবিধাটো হ'ল যে সেই সময়ত প্রকৃতিখন আইন আৰু ন্যায়ৰ মাধ্যমত শৃংখলিত কৰা হোৱা নাছিল। সেয়েহে এই অসুবিধাটো আঁতৰ কৰিবলৈ আৰু আইন আৰু ন্যায় প্রতিষ্ঠা কৰিবলৈ, তেওঁলোকে এখন চুক্তিৰ মাধ্যমত কিছুমান ক্ষমতা জাতিক অর্পণ কৰে।

জে.জে ৰুছোৱে তেওঁৰ —'Social Contract' নামত গ্রন্থখনিত উল্লেখ কৰা মতে প্রকৃতিৰ সমান, সক্ষম আৰু পৰিতুষ্ট আছিল। ব্যক্তিয়ে এক সুখী আৰু সহজ-সৰল জীৱন যাপন কৰিছিল। কিন্তু জনসংখ্যা বঢ়াৰ লগে লগে তেওঁলোকৰ মাজত কাজিয়াৰ সৃষ্টি হ'ল আৰু ফলস্বৰূপে তেওঁলোকে এখন সমাজ গঠন কৰি সমস্যাবোৰৰ পৰা পৰিত্রাণ পাবলৈ এক চুক্তিত আবদ্ধ হ'ল।

তথাপিও এই তত্ত্বটোক সমাজৰ উৎপত্তিৰ এক গ্রহণযোগ্য ব্যাখ্যা হিচাপে গণ্য কৰিব নোৱাৰি। এই তত্ত্বটোৰ প্রধান অভিমত যে ব্যক্তি সদায় সমাজৰ আগত বোলা কথাষাৰ গ্রহণ কৰিব নোৱাৰি কিয়নো মানুহে জন্মতেই সামাজিক প্রাণী হিচাপে জন্ম লাভ কৰে আৰু সেয়েহে তেনে ক্ষেত্রত ব্যক্তিক সমাজতকৈ আগত বুলি ভবা কথাষাৰ গ্রহণ কৰিব নোৱাৰি।

জৈৱিক তত্ত্ব ঃ এই তত্ত্বমতে, ব্যক্তি আৰু সমাজৰ সম্পর্ক স্বাভাৱিক, কাৰিকৰী বা যান্ত্রিক নহয়। সমাজ আৰু ব্যক্তিৰ মাজৰ এই স্বাভাৱিক সম্পর্ক লেচলি ষ্টিফেন আৰু হার্বাট স্পেনচাৰৰ লেখনিবোৰত পোৱা যায়। তেওঁলোকৰ মতে, মানুহৰ শৰীৰৰ দৰে সমাজো এৰ স্বাভাৱিক অবয়ৱ। মানৱ শৰীৰত অগণন কোষ থাকে। সেইদৰে, সমাজৰ বিভিন্ন সদস্যক সমাজৰ কোষ বুলিয়েই ক'ব পাৰি। যেনে দৰে মানৱ দেহৰ অংগ প্রত্যংগবোৰ ইটোৰ ওপৰত সিটো নির্ভৰশীল আৰু শেষত এই সকলোৱে স্নায়বিক ব্যৱস্থাৰ ওপৰতে ৰ্কতি থাকে, তেনেদৰে সমাজৰো বিভিন্ন সদস্যবোৰে এজনে আনজনৰ ওপৰত নির্ভৰ কৰে আৰু সেই সকলোবোৰে একেলগে সমাজৰ ওপৰত নির্ভৰ কৰে। আকৌ, যেনেদৰে ব্যক্তিয়ে সমাজ নহ'লে জীয়াই থাকিব নোৱাৰে, ঠিক তেনেদৰে সমাজো ব্যক্তি অবিহনে অর্থহীন। ঠিক একেদৰে, কোষ অবিহনে মানৱ শৰীৰ অর্থহীন আৰু মানৱ শৰীৰ অবিহনে কোষ অর্থহীন। সেয়েহে, এই ফালৰপৰা সমাজৰ প্রকৃতি জীৱৰ লগত তুলনা কৰা হৈছে।

হার্বাট স্পেনচাৰে সমাজক পশুৰ শৰীৰৰ লগত তুলনা কৰিছে যাৰ পুষ্টিৰ ব্যৱস্থাটো সমাজৰ উদ্যোগ আৰু কৃষি দিশটোৰ লগত যুক্ত হৈ আছে। সঞ্চালন ব্যৱস্থাটো যোগাযোগ আৰু যাতায়ত ব্যৱস্থাৰ লগত আৰু স্নায়ৱিক ব্যৱস্থাটোক চৰকাৰৰ লগত তুলনা কৰা হৈছে, ইত্যাদি।

এই তত্ত্বটো গ্রহণযোগ্য নহয় কাৰণ সমাজ আৰু ব্যক্তিৰ মাজৰ সম্পর্কটো কাৰিকৰী বা যান্ত্রিক নহয়। যদিও সমাজ আৰু জীৱৰ মাজত কিছুমান সাদৃশ্য আছে তথাপিও এই সাদৃশ্যবোৰ আৱশ্যকীয় নহয়। যদি এজন মানুহক সমাজৰ পৰা বহিস্কৃত কৰা হয় তেতিয়া তেওঁ অকলশৰে জীয়াই থাকিব পাৰে। কিন্তু মানুহে তেওঁৰ শৰীৰৰ এটাও কোষ নোহোৱাকৈ থাকিব নোৱাৰে।

সেয়েহে, ইয়াৰ পৰা ক'ব পাৰিযে ব্যক্তি আৰু সমাজৰ মাজৰ সম্পৰ্কটো যান্ত্রিক নহয়। বৰঞ্চ, ই এক প্রাকৃতিক বিকাশৰ ফল।

এই ক্ষেত্রত এইটো ক'ব পৰা যায় যে এই পৃথিৱীত মানুহৰ আগমনৰ লগে লগেই সমাজৰো উৎপত্তি হৈছিল। সেয়েহে, ইটোক সিটোৰ আগত বুলি ক'ব পৰা নাযায়। সমাজ অবিহনে ব্যক্তিৰ কথা ভাবিব নোৱাৰি আৰু ব্যক্তি অবিহনে সমাজ ঘটনা নোহোৱা গল্পৰ দৰে। মানুহ সামাজিক প্রাণী আৰু সেয়েহে একেলগে বাস কৰাটো মানুহৰ এটা স্বাভাৱিক প্রবৃতি। যদিও, সমাজৰ উৎপত্তি সম্পর্কে কোনো নিশ্চিত উত্তৰ নাই, তথাপিও সমাজৰ বিকাশত ব্যক্তিৰ অৰিহণা অবহেলা কৰিব নোৱাৰি।

প্রাচীন কালত মানুহৰ অস্তিত্বটো প্রকৃতিৰ নিয়মৰ ওপৰত নির্ভৰ কৰিছিল। এই প্রকৃতি, প্রত্যেক ব্যক্তিয়েই নিজৰ কাৰণে জীয়াই আছিল। সেই সময়ত 'জোৰ যাৰ মুলুক তাৰ' নীতিৰ প্রচলন আছিল আৰু ব্যক্তিয়ে নিজৰ অস্তিত্বৰ বাবে যুঁজ কৰিব লাগিছিল। 'জোৰ যাৰ মুলুক তাৰ' ধাৰণাটোৱে জীৱন যুঁজত যিয়ে সংগ্রামৰ মাজেৰে জীয়াই থাকিব পাৰে সিয়ে জীয়াই থাকিবৰ বাবে উপযোগী। সেই সময়ত কেৱল শক্তিশালী ব্যক্তিজনহে জীয়াই থকাৰ বাবে উপযোগী আছিল। এনেদৰেই মানৱ সমাজৰ গঠনটো পোহৰলৈ আহিছিল আৰু একে সময়তে, সমাজৰ বিৱর্তন আদিম যুগৰ পৰা আধুনিক যুগলৈ আৰম্ভ হৈছিল।

সময় বাগৰাৰ লগে লগে মানুহে ভাবিবলৈ ধৰিলে যে জোৰ যাৰ মুলুক তাৰ ধাৰণাটো বা যিয়ে বেছি শক্তিশালী যিয়েই জীয়াই থকাৰ বাবে উপযোগী ধাৰণাটো সমাজত বাস কৰিবৰ বাবে এটা সুস্থ ধাৰণা নহয়। সেয়েহে, ব্যক্তিয়ে সমাজত বাস কৰিবলৈ আন এটা ব্যৱস্থাৰ কথা ভাবিবলৈ ধৰিলে য'ত দুখীয়া বা দুর্বল শ্রেণীয়েও সমাজ আকাৰে বাস কৰিবলৈ সমানে সুবিধা পায়। এনেদৰে, এটা সুস্থ আৰু উন্নত জীৱন যাপন কৰিবলৈ জোৰ যাৰ মুলুক তাৰ ধাৰণাটো উৎখাত কৰা হ'ল। ফলস্বৰূপে, জীয়াই থকা আৰু জীয়াই থাকিবলৈ দিয়াৰ ধাৰণাটোৰ উৎপত্তি হ'ল। এনেদৰেই, ব্যক্তিয়ে সুস্থ, শৃংখলিত আৰু ব্যৱস্থাপিত ধৰণত জীয়াই থাকিবলৈ আৰম্ভ কৰিলে।

সমাজৰ বিৱর্তন শাৰীৰিক আৰু জৈৱিক ধৰণেও হৈছিল। চার্লচ ডাৰ□উইনে তেওঁৰ Origin of Species ত কৈছিল যে বিৱর্তন হৈছে এনে এক প্রাকৃতিক বা স্বাভাৱিক নির্বাচন প্রক্রিয়াৰ ফল য'ত প্রকৃতিয়ে নিজেই তেনেবোৰ মানুহক নির্বাচন কৰে যিয়ে নিজকে সেই প্রাকৃতিক বা স্বাভাৱিক পৰিবেশত জীয়াই থাকিবৰ বাবে উপযুক্ত কৰি তোলে। এই মানুহবোৰ আনবোৰতকৈ হয় অধিক শক্তিশালী নহয় বুদ্ধিয়ক। এই বিৱর্তন প্রক্রিয়াটো প্রাণীবোৰৰ মাজত হোৱা জৈৱিক পৰিৱর্তনৰ জৈৱিক পদ্ধতিৰ ওপৰত নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ Society শব্দটো কোনটো লেটিন শব্দৰ পৰা উৎপত্তি হৈছে?

.....

.....

প্রশ্ন নং ২ঃ গিদিংচে দিয়া সমাজৰ সংজ্ঞাটো কি?

.....

.....

প্রশ্ন নং ৩ঃ কোনে 'মানুহ এক সামাজিক প্রাণী' নামৰ ধাৰণাটো গঠন কৰিছিল?

.....

.....

প্রশ্ন নং ৪ঃ 'জোৰ যাৰ মুলুক তাৰ' ধাৰণাটোক এটা নতুন ধাৰণাৰ সহায়ত উৎখাত কৰা হৈছিল? সেই নতুন ধাৰণাটো কি?

.....

.....

প্রশ্ন নং ৫ঃ কিয় 'জোৰ যাৰ মুলুক তাৰ' ধাৰণাটোক উৎখাত কৰা হৈছিল? (৮০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)।

.....

.....

প্রশ্ন নং ৬ঃ কোনে এই মতটো প্রকাশ কৰিছিল যে পুৰণি কালত ব্যক্তিৰ জীৱন নিসংগ, দুখীয়া, জধলা, আসুৰিক আৰু চুটি আছিল?

.....

.....

প্রশ্ন নং ৭ঃ সমাজৰ উৎপত্তি সম্পর্কে কোনটো তত্ত্বই কৈছিল যে সমাজতকৈ ব্যক্তি আগত?

.....

.....

প্রশ্ন নং ৮ঃ কোনে মত দিছিল যে প্রকৃতিৰ অৱস্থাটো সমান, সক্ষম আৰু পৰিতুষ্ট আছিল?

.....

.....

প্ৰশ্ন নং ৯ঃ স্বাভাৱিক তত্ত্ব মানে কি? (৪০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)।

.....

.....



চিন্তা-চৰ্চা কৰক ঃ ১.১

সমাজ অবিহনে ব্যক্তিয়ে পৃথকভাৱে অকলশৰীয়াকৈ জীয়াই থাকিব পাৰেনে? আলোচনা কৰক।

.....

.....

.....

.....

১.৫ মানৱ সমাজৰ প্ৰকৃতি

মানৱ সমাজৰ প্ৰকৃতি ব্যক্তি আৰু সমাজৰ সম্বন্ধৰ লগতে জড়িত। এৰিষ্টটলে এই সম্পৰ্কে কৈছিল যে প্ৰকৃতিগতভাৱে মানুহ হৈছে এক সামাজিক প্ৰাণী। ইয়াৰ পৰা এইটো স্পষ্ট হয় যে যি ব্যক্তিয়ে সমাজত বাস নকৰে সি হয় চয়তান নহয় ভগৱান। মানুহ হৈছে এক সামাজিক প্ৰাণী কথাষাৰে আমাৰ মনলৈ এই প্ৰশ্ন আনে যে কি অৰ্থত মানুহ সামাজিক প্ৰাণী? সমাজত ওপৰত আমাৰ নিৰ্ভৰশীলতাৰ প্ৰকৃতি কি? সামাজিক ব্যৱস্থা আৰু ব্যক্তিৰ মাজৰ সম্পৰ্কটো কেনেকুৱা?

ব্যক্তি আৰু সমাজৰ সম্বন্ধ সম্পৰ্কে দুটা তত্ত্ব আছে সামাজিক চুক্তি তত্ত্ব আৰু স্বাভাৱিক তত্ত্ব। এই তত্ত্ব দুটা ইতিমধ্যেই ১.৪. শাখাত আলোচনা কৰা হৈছে।

পশুৰ সমাজৰ দৰে মানৱ সমাজৰো কিছুমান গঠন বা প্ৰকৃতি আছে। যদিও মানুহে সমাজ পাতি বাস কৰিবলৈ ভাল পায় বা পশুবোৰেও একেলগে বা দল আকাৰে চলা ফুৰা বা বাস কৰিবলৈ ভাল পায়, তথাপিও ব্যক্তিৰ কিছুমান বিশেষ প্ৰকৃতি আছে যিবোৰে মানৱ সমাজক পশুৰ সমাজৰ পৰা পৃথক কৰে।

(ক) মানৱ সমাজ আৰু পশুৰ সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্যটো হৈছে যে ব্যক্তিয়ে নিজৰ বিবেকেৰে বিচাৰ কৰি চাব পাৰে বা ব্যক্তিৰ চিন্তা কৰাৰ ক্ষমতা আছে যে তেওঁ কৰা কামবোৰ ভাল নে বেয়া। আনহাতে, বিবেকৰ সহায়ত চিন্তা কৰা এই ক্ষমতাটো পশুৰ বা জন্তুৰ নাই।

(খ) মানৱ সমাজত যোগাযোগ ব্যৱস্থাটো বৰ উন্নত। জন্তুৰ সমাজত যদিও যোগাযোগ আছে, কিন্তু মানৱ সমাজৰ দৰে ই ইমান উন্নত নহয়। এই যোগাযোগ ব্যৱস্থা সহায়ত ব্যক্তিয়ে ইজনে সিজনৰ লগত যোগাযোগ কৰিব পাৰে বা ইজনে সিজনক ভালকৈ জানিব পাৰে বা সংস্কৃতিৰ আদান-প্ৰদান কৰিব পাৰে বা আন বহুতো দৰকাৰী কথা এটা কুলৰ পৰা আনটো

কুললৈ বহন কৰিব পাৰে। কিন্তু জন্তুৰ সমাজত এই যোগাযোগ ব্যৱস্থাৰ অভাৱ দেখা যায় কাৰণ এই সমাজত যোগাযোগ ব্যৱস্থাটো অনুপযোগী

(গ) প্ৰয়োজন অনুসৰি মানৱ সমাজে মানুহক স্বাধীনতা দিয়ে। কিন্তু জন্তুৰ সমাজত এনে ধৰণৰ কোনো ব্যৱস্থা দেখা নাযায়।

(ঘ) পৰিৱৰ্তন বা বদলি হোৱা পৰিবেশত মানুহে নিজক নিজে সামঞ্জস্য বজাই ৰাখে, কিন্তু এই সামঞ্জস্যতা বা পৰিৱৰ্তনীয় প্ৰকৃতি জন্তুৰ সমাজত অনুপস্থিত।

১.৫.১ সমাজৰ উপাদান

সমাজত তিনিটা উপাদান আছে। এইবোৰ সমাজ গঠনৰ বাবে লগা আৱশ্যকীয় উপাদান—

(ক) সাদৃশ্যতা ঃ সমাজৰ বাবে ই এটা আৱশ্যকীয় চর্ত। মেক আইভাৰৰ মতে সমাজ মানে সাদৃশ্য। সাদৃশ্যৰ এই ধাৰণাটোৱে আগৰ ৰজাই শাসন কৰা সমাজৰ কথাকে বুজায়। কিন্তু আধুনিক সমাজে বহল দৃষ্টিভংগীৰ ওপৰত দষ্টিপাত কৰে আৰু এই দৃষ্টিভংগীয়ে জাতীয়তাৰ ক্ষেত্ৰত বা এখন পৃথিৱী গঢ়াৰ ক্ষেত্ৰত সাদৃশ্যতাৰ ধাৰণাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

(খ) পৰস্পৰ নির্ভৰশীলতা ঃ সমাজ গঠনৰ ই এটা আৱশ্যকীয় উপাদান। কেৱল ব্যক্তিয়েই ইজনে সিজনৰ ওপৰত সমাজত বাস কৰিবৰ বাবে নির্ভৰ নকৰে, বৰঞ্চ অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ভাৱে সুস্থ আৰু শান্ত জীৱন যাপন কৰিবলৈ দেশ বা মহাদেশবোৰেও ইখনে আনখনৰ ওপৰত নির্ভৰ কৰে। যদি ব্যক্তি, দেশ বা মহাদেশৰ মাজত যোগাযোগৰ অভাৱ হয়, তেতিয়াহ'লে এনে ক্ষেত্ৰত ব্যক্তিয়ে, দেশে বা মহাদেশে সকলোৰে কল্যাণ সাধনৰ ক্ষেত্ৰত অসফল হয়। বিশ্বৰ সংস্থাবোৰ যেনে নেটো, চার্ক আৰু ইউনেছকো ইত্যাদি হ'ল পৰস্পৰ নির্ভৰশীলতাৰ কিছুমান উৎকৃষ্ট উদাহৰণ য'ত এখন দেশ বা মহাদেশ আনখন দেশ বা মহাদেশৰ ওপৰত মানুহৰ উন্নতিৰ হকে কাম কৰাৰ ক্ষেত্ৰত নির্ভৰশীল হয়।

(গ) সহযোগিতা ঃ ইও সমাজ গঠনৰ বাবে এক গুৰুত্বপূর্ণ উপাদান। সহায় সহযোগিতা অবিহনে কোনো সমাজ ৰর্তি থাকিব নোৱাৰে। যদি ব্যক্তিয়ে ইজনে আনজনক সহায় সহযোগিতা আগ নবঢ়ায় তেতিয়াহ'লে সুখৰ বা শান্তিৰ ধাৰণাটো বেছিদিন সমাজত বর্তি নাথাকিব।

মেকআইভাৰে সমাজৰ সংজ্ঞা দিওঁতে আৰু কেইটামান উপাদানৰ কথা কৈছে। তেওঁ সমাজক বিভিন্ন দল বা ভাগৰ ব্যৱহাৰ আৰু পদ্ধতি, কর্তৃপক্ষ আৰু পৰস্পৰৰ সহায়-সহযোগিতাৰ ব্যৱস্থা বুলি কৈছে য'ত মানুহৰ স্বভাৱক আৰু স্বাধীনতাক নিয়ন্ত্রণ কৰা হয়। এই সংজ্ঞাটোৱে সমাজৰ সাতটা উপাদান অন্তর্ভুক্ত

কৰিছে। প্ৰথমতে আমি কিছুমান ব্যৱহাৰ দেখা পাওঁ যি সমাজৰ বিবাহ, পৰিয়াল, শিক্ষা, ধৰ্ম, খাদ্য আৰু ভাষাৰ সৈতে জড়িত। এইবোৰ সমাজ ভেদে বেলেগ বেলেগ হয়।

দ্বিতীয়তে, সমাজত কিছুমান এনেকুৱা ব্যৱস্থা আছে যিবোৰ কার্য্য কৰাৰ ধৰণ ৰূপে জনা যায় যিয়ে একতা আৰু শৃংখলা বজাই ৰাখে।

তৃতীয়তে, সমাজত সমতা বজাই ৰাখিবলৈ হ'লে কর্তৃপক্ষ থকাটো প্ৰয়োজন।

চতুর্থতে, সদস্যসকলৰ মাজত পৰস্পৰৰ সহায় সহযোগিতা অবিহনে কোনো সমাজ সুস্থিৰ হ'ব নোৱাৰে। পঞ্চমতে, সমাজৰ বিভিন্ন ভাৱ আছে যেনে পৰিয়াল, গাওঁ আৰু চহৰ। ষষ্ঠতে, সমাজক শৃংখলিত কৰিবলৈ হ'লে নিয়ন্ত্ৰণ থকাটো আৱশ্যকীয়। সপ্তমতে, সমাজত স্বাধীনতা আৰু নিয়ন্ত্ৰণ একেলগে থকাটো ভাল। স্বাধীনতা অবিহেনে ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ বিকাশ কৰিব নোৱাৰে। আকৌ, ই এইটো নুবুজায় যে ব্যক্তিৰ ব্যৱহাৰক নিয়ন্ত্ৰণ কৰিবৰ বাবে ব্যক্তিৰ স্বাধীনতা খর্ব কৰা উচিত। বৰঞ্চ, স্বাধীনতা বর্জন নকৰাকৈ ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ বিকাশ ঘটাব পাৰে।

সমাজে সাদৃশ্যতা আৰু পৰস্পৰ সহযোগিতা নামৰ দুটা উপাদান অন্তর্ভুক্ত কৰে। এই দুয়োটা অনুভৱ প্ৰত্যেক ব্যক্তিৰ মাজত উপস্থিত থকাটো বাঞ্ছনীয়। সেইবাবে এই অনুভৱক জাতীয়তাৰ অনুভৱ বুলিও ক'ব পাৰি। সমাজ মাত্ৰ কোনো ব্যক্তিৰ অনুষ্ঠান বা মঞ্চ বা অভিকর্তা নহয়। বৰঞ্চ ই সামাজিক সম্বন্ধৰ এটা ব্যৱস্থা।

সমাজ কোনো কৃত্ৰিম ব্যৱস্থা নহয়। ই হ'ল ব্যক্তিৰ স্বাভাৱিক প্ৰৱণতাবোৰৰ এক সৃষ্টি। সেয়েহে, সমাজক এক প্ৰাকৃতিক অনুষ্ঠান বুলিও ক'ব পাৰি। এৰিষ্টটলে সেয়েহে মানুহক প্ৰকৃতিগত বাৰে সামাজিক প্ৰাণী বুলি কৈছে। সিমান দুৰ মানুহৰ স্বাভাৱিক প্ৰৱণতাবোৰে নিয়ন্ত্ৰণ সীমাৰ ভিতৰত কাম কৰিব সিমান দিনলৈকে ই ৱর্তি থাকিব।

১.৫.২ সমাজৰ বৈশিষ্ট্য

(ক) **সমাজ মানুহৰ সংগঠন ঃ** সমাজৰ এটা বৈশিষ্ট্য হ'ল যে সমাজ হ'ল মানুহৰ সংগঠন। এখন সমাজ মানুহ অবিহনে কল্পনাহীন। সেয়েহে মানুহক সমাজ গঠনৰ এক গুৰুত্বপূর্ণ উপাদান বুলি গণ্য কৰা হয়। সামাজিক জীৱন তেতিয়াহে সম্ভৱ হ'ব যেতিয়া মানুহৰ মাজত সামাজিক সম্বন্ধ থাকিব।

(খ) **পাৰস্পৰিক সহযোগ আৰু সচেতনতা ঃ** ই হ'ল সমাজ গঠনৰ দ্বিতীয় বৈশিষ্ট্য। সমাজৰ সদস্যসকলৰ মাজত পাৰস্পৰিক সহযোগ আৰু সচেতনতা থাকিব।

সমাজৰ ধাৰণাটোৱে ইয়াৰ সদস্যবোৰৰ মাজত শুভ ইচ্ছা আৰু মানসিক যোগাযোগ বিচাৰে। এজন ব্যক্তি তেতিয়াহে সমাজত বৰ্তি থাকিব পাৰে যেতিয়া তেওঁৰ শুভ ইচ্ছা আৰু সমাজত আন সদস্যবোৰৰ লগত মানসিক যোগাযোগ স্থাপন হয়। শুভ ইচ্ছা আৰু সচেতনতা অবিহনে, সামাজিক সম্পৰ্ক গঠন হ'ব নোৱাৰে। সেয়েহে, সদস্যসকলৰ মাজত পাৰস্পৰিক সহযোগ আৰু সামাজিক সম্পৰ্ক সম্বন্ধে সচেতনতাক সমাজৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য বুলি ভবা হয়।

(গ) **সাদৃশ্যতা ঃ** সমাজৰ তৃতীয় বৈশিষ্ট্য হ'ল সদৃশ্যতা। এই সাদৃশ্যতাই জীৱন সম্বন্ধে মানুহৰ প্ৰয়োজন, কাৰ্য্য, উদ্দেশ্য, আদৰ্শ, মূল্য আৰু দৃষ্টিভংগীক সুচায়। এই সাদৃশ্যবোৰৰ জৰিয়তে সমাজত মানুহবোৰৰ মাজত বান্ধোনৰ সৃষ্টি হয় আৰু ফলস্বৰূপে, তেওঁলোকৰ মাজত সামাজিক সম্পৰ্ক গঢ়ি উঠে। এনেদৰে একে জাতীয় মনস্তত্ত্বৰ ব্যক্তিসকলৰ মাজত উমৈহতীয়া মঞ্চ গঢ়িতোলা বা সমাজৰ সদস্যবোৰক এক কৰা সম্ভৱ হয়। সাদৃশ্যতাৰ ধাৰণাটো সমজাতীয় মনস্তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰে। সমজাতীয় মনস্তত্ত্বঅবিহেনে কোনেও সমাজত সুখী হৈ থাকিব নোৱাৰে।

(ঘ) **পাৰ্থক্য ঃ** সমাজত বিভিন্ন ধৰণৰ পাৰ্থক্যও দেখা যায় যেনে বয়স, লিংগ, ক্ষমতা, সক্ষমতা, সংস্কৃতি, ধৰ্ম ইত্যাদি। কাৰ্য্যৰ ক্ষেত্ৰত থকা পাৰ্থক্যবোৰে ইয়াকে সূচায় যে সমাজত সকলোৱে সকলো কাম কৰিব নোৱাৰে।

(ঙ) **পাৰস্পৰিক নিৰ্ভৰশীলতা ঃ** ইও সমাজৰ এটা মূল বৈশিষ্ট্য। কোনো মানুহেই পূৰ্ণ নহয় আৰু সেয়েহে ইয়াৰ পৰা ক'ব পাৰি যে ব্যক্তি সদায় সমাজত ইজনে সিজনৰ ওপৰত নিৰ্ভৰ কৰি থাকে। সেয়েহে, সমাজত বাস কৰিবলৈ হ'লে পাৰস্পৰিক নিৰ্ভৰশীলতা হৈছে এক দৰকাৰী বৈশিষ্ট্য।

(চ) **সহযোগিতা ঃ** এটা সুখী বা অৰ্থপূৰ্ণ জীৱন যাপন কৰিবলৈ, আমি আমাৰ জীৱনত আনৰ সৈতে সহযোগ কৰিবই লাগিব। যিহেতু আমি সমাজত বাস কৰো, সেয়েহে সহযোগিতা হৈছে এক গুৰুত্বপূৰ্ণ উপাদান।

(ছ) **স্থায়িত্ব ঃ** সমাজ এক স্থায়ী সত্তা। ই জাতি, ধৰ্ম আৰু বৰ্ণ নিৰ্বিশেষে অস্তিত্বশীল। যদি এজন মানুহে সমাজ অবিহনেও জীয়াই থাকিব বিচাৰে তথাপিও সমাজ চিৰদিন অস্তিত্বশীল বা একেই হৈ থাকিব।

(জ) **শৃংখলিত ঃ** সমাজ হ'ল এক সুসাংগঠনিক বা শৃংখলিত ব্যৱস্থা। সমাজৰ অৰ্থবহ কাৰ্য্যকাৰিতাৰ ওপৰত ভিত্তি কৰিহে ব্যক্তিয়ে ইয়াত বাস কৰে।

(ঝ) **উমৈহতীয়া সংস্কৃতি ঃ** এখন সমাজত বাস কৰিলে, মানুহে এক উমৈহতীয়া সংস্কৃতি পালন কৰে যিয়ে সমাজৰ ধাৰণটোকে নিৰ্দেশ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ঃ সমাজত কোনবোৰ উপাদানক গুৰুত্বপূর্ণ বুলি বিবেচনা কৰা হয়?

.....

.....

প্রশ্ন নং ১১ঃ মানৱ সমাজ আৰু পশুৰ সমাজৰ মাজৰ গুৰুত্বপূর্ণ পার্থক্যবোৰ উল্লেখ কৰক। (৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন নং ১২ঃ ব্যক্তি আৰু সমাজৰ মাজৰ সম্পর্কটো ব্যাখ্যা কৰক। (৪০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন নং ১৩ঃ সমাজৰ তিনিটা উপাদান কি কি?

.....

.....

প্রশ্ন নং ১৪ঃ পাৱস্পৰিক নির্ভৰশীলতা মানে কি বুজে? (৮০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন নং ১৫ঃ সমাজৰ বৈশিষ্ট্যবোৰ কি কি?

.....

.....

প্রশ্ন নং ১৬ঃ কিয় পাৱস্পৰিক সহযোগ আৰু সচেতনতা এখন সমাজৰ বাবে আৱশ্যকীয়? (৬০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

১.৫.৩ সমাজৰ প্ৰকাৰ

পুৰণি কালৰপৰা বৰ্তমান সময়লৈকে মানুহে বিভিন্ন ধৰণৰ সমাজত বাস কৰি আহিছে। সেইবোৰ ক্ৰমে চিকাৰ আৰু খাদ্য সংগ্ৰহ কৰা সমাজ, ধৰ্মযাজক সম্পৰ্কীয় সমাজ, মাটি সম্পৰ্কীয় সমাজ, আধুনিক সমাজ আৰু ঔদ্যোগিক সমাজ।

চিকাৰ আৰু খাদ্য সংগ্ৰহী সমাজ ঃ মানৱ বুৰঞ্জীত এই ধৰণৰ সমাজক আটাইতকৈ পুৰণি সমাজ বুলি গণ্য কৰা হয়। আদিম যুগত মানুহে দল আকাৰে বাস কৰিছিল আৰু তেওঁলোকৰ খাদ্যবোৰ তেওঁলোকে চিকাৰ, সাগৰত মাছ মাৰি, নদী বা ওচৰৰ পুখুৰী বা জলাশয়ত মাছ মাৰি আৰু খাদ্য উপযোগী গছ, পাত, ফল আৰু অৰণ্যৰ পৰা গুটি ইত্যাদি সংগ্ৰহ কৰি লাভ কৰিছিল। সেয়েহে, ইয়াক সমাজৰ বিৱৰ্তন আৰু উৎপত্তিৰ প্ৰথম প্ৰকাৰ বুলি অভিহিত কৰা হয়। যদিও বৰ্তমান সময়ত এনে ধৰণৰ সমাজ খুব কমেই দেখা যায় তথাপিও এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশবোৰত এনে ধৰণৰ সমাজ পোৱা যায়। এই সমাজবোৰক আদিম কাৰিকৰী বিদ্যা আৰু ধেনু কাড়, শেল, যাঠি, শিল কটা যন্ত্ৰ, হাকোটা জাল ইত্যাদি চিকাৰৰ বাবে আৰু বিভিন্ন ধৰণৰ সজুলি যেনে মাৰি বা লাখুটি, শেল বা জাল ইত্যাদি যন্ত্ৰৰ ব্যৱহাৰৰ দ্বাৰা চিহ্নিত কৰা হয়। এই সমাজবোৰত এনে ধৰণৰ যন্ত্ৰবোৰ খন্দা আৰু নিৰ্মাণ কাৰ্য্যত আৰু বাচন-বৰ্তনবোৰ ৰন্ধা-বঢ়াৰ বাবে ব্যৱহাৰ কৰিছিল। একেখন সমাজৰ ভিতৰতে বিভিন্ন দল আছিল। এই সমাজবোৰৰ কিছুমান নিৰ্দিষ্ট এলেকা আছিল আৰু মানুহে খাদ্যৰ সন্ধানত এখন ঠাইৰ পৰা আনখন ঠাইলৈ ভ্ৰমি ফুৰিছিল।

ধৰ্ম-যাজকৰ সমাজ ঃ এই সমাজবোৰে জীৱ-জন্তু যেনে গৰু, ছাগলী, ভেড়া, উট আৰু ঘোঁৰাৰ পালন আৰু জন্মৰ কাম কৰিছিল। এনে ধৰণৰ সমাজ এছিয়া, আফ্ৰিকা আৰু মধ্য পূবৰ অংশত পোৱা যায়। যিহেতু এই সমাজবোৰৰ সম্পূৰ্ণৰূপে ঘৰচীয়া জীৱ-জন্তুৰ ওপৰতে নিৰ্ভৰ কৰিছিল, সেয়েহে তেওঁলোকে সদায় ঘাঁহনি, পৰ্বত-পাহাৰৰ এলেকাত আৰু মৰুভূমিত বাস কৰিছিল। ঘৰচীয়া জীৱ-জন্তুৰ অন্ন অন্বেষণত অসুবিধাৰ বাবে ইয়াৰ মানুহবোৰে এখন ঠাইৰ পৰা আনখন ঠাইলৈ ঘূৰি ফুৰিছিল। এই সমাজবোৰ স্বভাৱতঃ যাযাবৰ আছিল আৰু সাধাৰণতে যাতায়াতৰ বাবে জন্তুৰ ব্যৱহাৰ কৰিছিল। চিকাৰ আৰু খাদ্য সংগ্ৰহী সমাজতকৈ এই সমাজ আকাৰত ডাঙৰ আছিল।

মাটি বা খেতি বিষয়ক সমাজ ঃ এই সমাজবোৰ খেতি বাতিৰ লগত জড়িত আছিল। বৰ্তমান সময়ত এই খেতি বাতিৰ পদ্ধতিটোক উদ্যান শস্য পদ্ধতি বুলি জনা যায় বা গছ-গছনি আৰু সৰু বাগিচাত ফুলনি পতা পদ্ধতি বুলিও জনা যায়। এই ধৰণৰ কৃষিকাৰ্য্যই মানুহৰ এখন ঠাইত থিতাপি ল'বলৈ শিকায় আৰু সেই দলৰ মানুহখিনি অৰ্থনৈতিক অৱস্থা শক্তিশালী কৰে। চিকাৰ আৰু খাদ্য সংগ্ৰহী সমাজতকৈ এনে ধৰণৰ সমাজবোৰ আকাৰত ডাঙৰ। এনে ধৰণৰ সমাজবোৰে কিছু সম্পত্তি বা টকা পইচা লাভ কৰাত সক্ষম হয় আৰু আন সমাজৰ দলৰ লগত বস্তু আদান-প্ৰদান বা বেহা

বেপাৰ কৰাত সক্ষম হয়। এই সমাজবোৰ জীৱ-জন্তুৰ পালন পোষণৰ লগতো জড়িত। বর্তমান সময়ত আধুনিক সজুলি আৰু কাৰিকৰী দক্ষতাৰ সহায়ত এনে ধৰণৰ সমাজত গছ-গছনিৰ লগত জড়িত কৃষি কার্য্যই ঠাৱৰ কৃষিভিত্তিক উৎপাদনলৈ বিকাশ লাভ কৰিছে।

অনা-ঔদ্যোগিক নগৰ বা পাৰম্পৰিক দেশ ঃ

বুৰঞ্জীৰ মতে খ্ৰীষ্টপূর্ব ৬০০ বছৰত সমগ্ৰ বিশ্বতে বিকশিত নগৰীয়া সমাজৰ উৎপত্তি হৈছিল। বহু বছৰ অতিক্ৰম কৰাৰ পিছত এনে ধৰণৰ সমাজবোৰে চহৰলৈ উন্নত হৈছিল আৰু সেইবোৰক ধন সম্পত্তি আৰু ক্ষমতাৰ ভিত্তিত বিভাজন কৰা হৈছিল। সেই সময়ত এই চহৰবোৰত ৰজাৰ ৰাজত্ব চলিছিল। এই সমাজবোৰক সভ্যতা বুলি কোৱা হৈছিল আৰু এই সভ্যতাক লিখনি, বিজ্ঞানৰ কলা আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ দ্বাৰা চিহ্নিত কৰা হৈছিল। এই সভ্যতাত চৰকাৰ আছিল যিবোৰ উন্নত আছিল। সেয়েহে, এইবোৰক পৰম্পৰাগত দেশ বুলি কোৱা হৈছিল। এই সমাজবোৰক সাম্ৰাজ্য বুলিও জনা গৈছিল যিবোৰ আকাৰত ডাঙৰ আছিল আৰু যুদ্ধ আৰু দেশ অধিগ্ৰহণত ভাগ লৈছিল। চীন, ৰোম আৰু ইণ্ডাচ ভেলী সভ্যতা আৰু মায়ান সভ্যতা এনে ধৰণৰ সমাজৰ উদাহৰণ। এই সমাজবোৰক বয়স আৰু লিংগ অনুপাতে কৰা কামৰ বিভাজনৰ দ্বাৰাও চিহ্নিত কৰিব পাৰি। ফলস্বৰূপে, ব্যৱসায়ী, সৈনিক আৰু চৰকাৰী বিষয়াবোৰৰ কার্য্য-কলাপবোৰক এনে ধৰণৰ সমাজত বিশেষ বুলি স্থান দিয়া হৈছিল। তাৰোপৰি, এওঁলোকে শাসক আৰু শাসিতৰ মাজৰ পার্থক্যটোকো প্ৰতিনিধিত্ব কৰিছিল। ইয়ে এনে সমাজবোৰত দাসত্ব প্ৰথাৰ অৱস্থিতিৰ কথা প্ৰকাশ কৰিছিল।

আধুনিক ঔদ্যোগিক সমাজ ঃ ১৭ আৰু ১৮ শতিকাত ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱ আৰম্ভ হৈছিল। কিন্তু ইয়াৰ প্ৰভাৱবোৰ কেৱল ইংলেণ্ডতেই আবদ্ধ হৈ থকা নাছিল, ৰৱঞ্চ ই সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল। এই ঔদ্যোগিক বিপ্লৱৰ তাৎক্ষণিক প্ৰভাৱ আছিল মেচিনত তৈয়াৰী বস্তু আৰু বিভিন্ন ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ। উদ্যোগ গঠনো এই বিশ্বৰ বিভিন্ন প্ৰান্তত দেখা দিয়া ঔদ্যোগিক বিপ্লৱৰ সৃষ্টিকাৰী আৰু যুগান্তকাৰী এক ধাৰা। ইয়ে মানৱ সম্পদক মেচিনৰ সহায়ত স্থলাভিষিক্ত কৰাৰ ধাৰকো সলনি কৰিছিল। এই ঔদ্যোগীকৰণৰ আন এটা দৰকাৰী পৰিণতি হ'ল যে ইয়াৰ সহায়ত বিভিন্ন ক্ষেত্ৰত কৌশল আৰু জ্ঞানৰ বিশেষীকৰণৰ ওপৰত ভিত্তি কৰি শ্ৰমৰো শ্ৰেণীবিভাজন হৈছিল। সেইবাবে, এইটো ক'ব পাৰি যে এই ঔদ্যোগীকৰণে কামৰ বা চাকৰিৰ বজাৰখনৰ গঠন সলনি কৰিছিল আৰু ফলস্বৰূপে ইয়ে মাটি আৰু খেতিৰ লগত জড়িত সমাজক ঔদ্যোগিক দেশলৈ ৰূপান্তৰ কৰিছিল। এক কথাত উদ্যোগ বিপ্লৱে নগৰীকৰণৰ এক ধাৰাৰ সৃষ্টি কৰিছিল। অৱশ্যে এই বিপ্লৱে গোলোকীয় গাওঁৰ সৃষ্টি কৰিছে য'ত ব্যক্তিয়ে সময় আৰু ঠাইৰ অসুবিধাবোৰ আওকাণ কৰি ইজনে সিজনৰ লগত যোগাযোগ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৭ঃ সমাজত বিভিন্ন প্রকাৰবোৰ কি কি?

.....

.....

প্রশ্ন নং ১৮ঃ কেনে ধৰণৰ সমাজক সমাজৰ বিৱর্তন আৰু উৎপত্তিৰ প্রথম প্রকাৰ বুলি গণ্য কৰা হয়?

.....

.....

প্রশ্ন নং ১৯ঃ চিকাৰ আৰু খাদ্য সংগ্রহী সমাজ ক'ত দেখিবলৈ পোৱা যায়?

.....

.....

প্রশ্ন নং ২০ঃ ধর্ম যাজকৰ সমাজ মানে কি? (৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন নং ২১ঃ পৰম্পৰাগত দেশৰ উদাহৰণ দিয়ক।

.....

.....



চিন্তা চর্চা কৰক ঃ ১.২

ব্যক্তি অবিহনে সমাজ জীয়াই থাকিব পাৰেনে? আলোচনা কৰক।

.....

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'সমাজ' শব্দটো লেটিন শব্দ Socius ৰ পৰা আহিছে যাৰ অর্থ হ'ল সংগ বা বন্ধুত্ব। সংগৰ অর্থ হ'ল সকলোৰ লগত মিলিব পৰা গুণ
- এজন ব্যক্তিয়ে কেতিয়াও সমাজৰ পৰা আঁতৰত থাকিব নোৱাৰে। সমাজ হ'ল ব্যক্তিৰ

ইচ্ছা, আকাংক্ষা, কল্পনা, আঁচনি, দৃষ্টিভংগী ইত্যাদি কার্য্যত সফল কৰাৰ এক স্থান। সমাজ অবিহনে ব্যক্তি আধৰুৱা।

- থমাছ হবচ্ৰ মতে পুৰণি কালত প্ৰকৃতিখন মানুহৰ স্বার্থপৰ স্বভাৱৰ বাবে বহু বাক বিতণ্ডাৰে ভৰি আছিল। সেই সময়ত মানৱ জীৱন বৰ নিসংগ, দুখী, জধলা, আসুৰিক আৰু চুটি আছিল। ব্যক্তি ইজনে সিজনৰ শত্ৰু হৈ পৰিছিল। সেয়েহে, এটা শান্ত জীৱন যাপন কৰিবলৈ আৰু অনাকাংক্ষিত বিপদৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে এটা চুক্তি কৰি সমাজ গঠন কৰিলে।
- স্বাভাৱিক তত্ত্ব মতে ব্যক্তি আৰু সমাজৰ সম্পর্ক স্বাভাৱিক, কাৰিকৰী বা যান্ত্রিক নহয়। সমাজ আৰু ব্যক্তিৰ মাজৰ এই স্বাভাৱিক সম্পর্ক লেচ্লি ষ্টিফেন আৰু হার্বাট স্পেনচাৰৰ লিখনিবোৰত পোৱা যায়। তেওঁলোকৰ মতে মানুহৰ শৰীৰৰ দৰে সমাজো এক স্বাভাৱিক অৱয়ৱ। মানৱ শৰীৰত অগণন কোষ থাকে। সেইদৰে, সমাজৰ বিভিন্ন সদস্যবোৰক সমাজৰ কোষ বুলিয়েই ক'ব পাৰি।
- মানৱ সমাজ আৰু পশুৰ সমাজৰ মাজত থকা আটাইতকৈ গুৰুত্বপূর্ণ পার্থক্যটো হৈছে যে ব্যক্তিয়ে নিজৰ বিবেকেৰে বিচাৰ কৰি চাব পাৰে বা ব্যক্তিৰ চিন্তা চর্চা কৰাৰ ক্ষমতা আছে যে তেওঁ কৰা কামবোৰ ভাল নে বেয়া। আনহাতে, বিবেকৰ সহায়ত চিন্তা কৰা এই ক্ষমতাটো পশুৰ বা জন্তুৰ সাম্রাজ্যত নাই।
- পৰস্পৰ নির্ভৰশীলতা হৈছে সমাজ গঠনৰ এক আৱশ্যকীয় উপাদান। কেৱল ব্যক্তিয়েই ইজনে সিজনৰ ওপৰত সমাজত বাস কৰিবৰ বাবে নির্ভৰ নকৰে, বৰঞ্চ অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিকভাৱে সুস্থ আৰু শান্ত জীৱন যাপন কৰিবলৈ দেশ বা মহাদেশবোৰেও ইখনে আনখনৰ ওপৰত নির্ভৰ কৰে। বিশ্বৰ সংস্থাবোৰ যেনে নেটো, চার্ক আৰু ইউনেছকো ইত্যাদি হ'ল পৰস্পৰ নির্ভৰশীল তাৰ কিছুমান উৎকৃষ্ট উদাহৰণ য'ত এখন দেশ বা মহাদেশে আনখন দেশ বা মহাদেশৰ ওপৰত মানুহৰ উন্নতিৰ হকে কাম কৰাৰ ক্ষেত্রত নির্ভৰশীল হয়।
- সমাজৰ দ্বিতীয় বৈশিষ্ট্য হৈছে সমাজৰ সদস্যবোৰৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু সচেতনতা। সমাজে সামাজিক সম্পর্ক, শুভ ইচ্ছা আৰু সমাজৰ সদস্যবোৰৰ মাজত মানসিক সহযোগ বিচাৰে। এজন ব্যক্তি তেতিয়াহে সমাজত বর্তি থাকিব পাৰে যেতিয়া তেওঁৰ শুভ ইচ্ছা আৰু সমাজৰ আন সদস্যবোৰৰ লগত মানসিক যোগাযোগ স্থাপন হয়। শুভ ইচ্ছা আৰু সামাজিক সম্পর্কৰ প্রতি সচেতনতা অবিহনে সমাজ গঠন হ'ব নোৱাৰে।
- এইটো সঁচা যে কোনো মানুহেই পূর্ণ নহয় আৰু সেয়েহে ইয়াৰ পৰা ক'ব পাৰি যে ব্যক্তি সদায় সমাজৰ ইজনে সিজনৰ ওপৰত নির্ভৰ কৰি থাকে। সেয়েহে, সমাজত বাস কৰিবলৈ হ'লে পাৰস্পৰিক নির্ভৰশীলতা হৈছে এক গুৰুত্বপূর্ণ বৈশিষ্ট্য।
- সময় বাগৰাৰ লগে লগে মানুহে ভাবিবলৈ ধৰিলে যে জোৰ যাৰ মুলুক তাৰ বা যিয়ে বেছি শক্তিশালী সিয়েই জীয়াই থাকিবৰ বাবে উপযোগী নামৰ ধাৰণাটো সমাজত বাস

কৰিবৰ বাবে এটা সুস্থ ধাৰণা নহয়। সেয়েহে ব্যক্তিয়ে সমাজত বাস কৰিবলৈ আন এটা ব্যৱস্থাৰ কথা ভাবিবলৈ ধৰিলে যে য'ত দুখীয়া বা দুৰ্বল শ্ৰেণীয়েও সমাজ আকাৰে বাস কৰিবলৈ সমানে সুবিধা পায়। এনেদৰে এটা সুস্থ আৰু উন্নত জীৱন যাপন কৰিবলৈ জোৰ যাৰ মুলুক তাৰ ধাৰণাটোক উৎখাত কৰা হ'ল। ফলস্বৰূপে জীয়াই থকা আৰু জীয়াই থাকিবলৈ দিয়া নামৰ এটা নতুন ধাৰণাৰ উৎপত্তি হ'ল। মানুহে জোৰ যাৰ মুলুক তাৰ ধাৰণাটোক স্থলাভিসিক্ত কৰি এটা নতুন পথৰ সন্ধান কৰিবলৈ ধৰিলে।

- মানৱ বুৰঞ্জীত চিকাৰী আৰু খাদ্য সংগ্ৰহী সমাজক আটাইতকৈ পুৰণি সমাজ বুলি গণ্য কৰা হয়। আদিম যুগত মানুহে দল আকাৰে বাস কৰিছিল আৰু তেওঁলোকৰ খাদ্যবোৰ তেঁলোকে চিকাৰ, সাগৰৰ মাছ মাৰি, নদী বা ওচৰৰ পুখুৰী বা জলাশয়ত মাছ মাৰি আৰু খাদ্য উপযোগী গছ, পাত,ফল আৰু জংগল বা আৰণ্যৰ পৰা খাবৰ বাবে গুটি কিছুমান সংগ্ৰহ কৰিছিল। সেয়েহে এনে ধৰণৰ চিকাৰী আৰু খাদ্য সংগ্ৰহী সমাজক সমাজৰ বিৱৰ্তন আৰু উৎপত্তি সম্পৰ্কে প্ৰথম প্ৰকাৰৰ সমাজ বুলি গণ্য কৰা হয়।
- খ্ৰীষ্টপূৰ্ব ১৭ আৰু ১৮ শতিকাৰ ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱ আৰম্ভ হৈছিল। কিন্তু এই বিপ্লৱৰ প্ৰভাৱবোৰ কেৱল ইংলেণ্ডতেই আবদ্ধ হৈ থকা নাছিল। বৰঞ্চ সেই প্ৰভাৱবোৰ সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল। এনে ধৰণৰ উদ্যোগিক বিপ্লৱৰ তাৎক্ষণিক প্ৰভাৱ আছিল মেচিনত বনোৱা বস্তুবোৰ আৰু বিভিন্ন ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বহুল ব্যৱহাৰ। এই উদ্যোগ বিপ্লৱৰ আন এক সৃষ্টিকাৰী আৰু যুগান্তকাৰী ধাৰা হৈছে উদ্যোগ গঠন। এই উদ্যোগ গঠন বিশ্বৰ বিভিন্ন প্ৰান্তত দেখা দিছিল।



১,৭ অধিক জানিবলৈ

১) Bhusan, Vidya & Sachdeva, D.R. 2012 Fundamentats of Sociology, Dorling Kindersley (India) Pvt. Ltd.

২) Dasgupta, Samir & Saham Paulomi, 2012 An Introduction to Sociology. Dorling Kindersley (India) Pvt. Ltd.

৩) Perry, John & Perry, Erna, 2010 Contemparary Society.Dorling Kindersley Indian Pvt. Ltd.

৪) Francis, M.2006. Contemparary Sociology. Oxford University Press.

৫) Bhusan, Vidya & Sachdeva, D.R.2005.Text Book of Sociology. kitab Mahal. New Delhi.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ লেটিন শব্দ Socius.

২ নং প্রশ্নৰ উত্তৰঃ গিদিংচ্ে সমাজৰ সংজ্ঞা এনে ধৰণে দিছে, "একে মনস্তত্ত্বৰ বহু ব্যক্তি আৰু সেয়েহে একে উদ্দেশ্যৰে অনুপ্রাণিত হৈ একে লক্ষ্য পুৰণ কৰিবলৈ কাম কৰি যায়।"

৩ নং প্রশ্নৰ উত্তৰঃ এৰিষ্টটল।

৪ নং প্রশ্নৰ উত্তৰঃ জীয়াই থকা আৰু জীয়াই থাকিবলৈ দিয়াৰ ধাৰণা।

৫ নং প্রশ্নৰ উত্তৰঃ জোৰ যাৰ মুলুক তাৰ ধাৰণাটোক উৎখাত কৰিবৰ বাবে ব্যক্তিয়ে আন এটা নতুন ধাৰণা জীয়াই থাকিবলৈ বিচাৰিবলৈ ধৰিলে। জীয়াই থকা আৰু জীয়াই থাকিবলৈ দিয়া আন এটা ধাৰণাটোৰ জৰিয়তে দুৰ্বল বা দুখীয়া শ্রেণীৰ মানুহে সমাজ আকাৰে বাস কৰিবলৈ সমান সা-সুবিধা পাব পাৰে। এইটো কাৰণতে জোৰ যাৰ মুলুক তাৰ ধাৰণাটোক আঁতৰাই পেলোৱা হ'ল। সেয়েহে জীয়াই থকা আৰু জীয়াই থাকিবলৈ দিয়া নামৰ এই নতুন ধাৰণাটোক এটা সমগ্র ধাৰণা হিচাপে গণ্য কৰা হয়।

৬ নং প্রশ্নৰ উত্তৰঃ থমাছ হবচ্।

৭ নং প্রশ্নৰ উত্তৰঃসামাজিক চুক্তি তত্ত্ব।

৮ নং প্রশ্নৰ উত্তৰঃ জে.জে. ৰুচো।

৯ নং প্রশ্নৰ উত্তৰঃএই তত্ত্বৰ মতে সমাজ আৰু ব্যক্তিৰ মাজৰ সম্পর্কটো স্বাভাৰিক যান্ত্রিক নহয়। এই তত্ত্বৰ প্রৱর্তকসকল হ'ল লেচ্লি ষ্টিফেন আৰু হার্বাট স্পেনচাৰ। তেওঁলোকৰ মতে, মানৱ শৰীৰৰ দৰে সমাজো হৈছে এক স্বাভাৰিক অৱয়ৱ।

১০ নং প্রশ্নৰ উত্তৰঃ পাৰস্পৰিক সম্বন্ধ।

১১ নং প্রশ্নৰ উত্তৰঃ মানৱ সমাজ আৰু জন্তুৰ সমাজৰ মাজৰ গুৰুত্বপূর্ণ পার্থক্যটো হৈছে মানুহে কৰা কোনো এটা বিশেষ কাম ভাল নে বেয়া তেওঁলোকে বিচাৰ কৰি চাব পাৰে কিন্তু জন্তুৱে কোনো কর্ম ভাল নে বেয়া চিন্তা কৰি চাব নোৱাৰে।

১২ নং প্রশ্নৰ উত্তৰঃ এজন ব্যক্তিয়ে কেতিয়াও সমাজৰ পৰা আঁতৰত থাকিব নোৱাৰে। সমাজ হ'ল ব্যক্তিৰ ইচ্ছা, আকাংক্ষা,কল্পনা, আঁচনি, দৃষ্টিভংগী ইত্যাদি কার্যত সফল কৰাৰ এক স্থান। সমাজ অবিহনে ব্যক্তি আধৰুৱা।

১৩ নং প্রশ্নৰ উত্তৰঃ সাদৃশ্যতা, পৰস্পৰ নির্ভৰশীলতা, সহযোগ।

১৪ নং প্রশ্নৰ উত্তৰঃ সমাজৰ ই এটা আৱশ্যকীয় উপাদান। কেৱল ব্যক্তিয়েই ইজনে সিজনৰ ওপৰত সমাজত বাস কৰিবৰ বাবে নির্ভৰ নকৰে, বৰঞ্চ অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিকভাৱে সুস্থ আৰু শান্ত জীৱন যাপন কৰিবলৈ দেশ বা মহাদেশবোৰেও ইখনে আনখনৰ ওপৰত নির্ভৰ কৰে। বিশ্বৰ সংস্থাবোৰ যেনে নেটো, চার্ক আৰু ইউনেছকো

ইত্যাদি হ'ল পৰস্পৰ নিৰ্ভৰশীলতাৰ কিছুমান উৎকৃষ্ট আহৰণ য'ত এখন দেশ বা মহাদেশে আনখন দেশ বা মহাদেশৰ ওপৰত মানুহৰ উন্নতিৰ হকে কাম কৰাৰ ক্ষেত্রত নিৰ্ভৰশীল হয়।

১৫ নং প্রশ্নৰ উত্তৰঃ (ক) সমাজ মানুহৰ সংগঠন।

(খ) পাৰস্পৰিক সহযোগ আৰু সচেতনতা।

(গ) সাদৃশ্যতা।

১৬ নং প্রশ্নৰ উত্তৰঃ সমাজে ইয়াৰ সদস্যবোৰৰ মাজত সামাজিক সম্পর্ক আৰু শুভ ইচ্ছা নির্দেশ কৰে। এজন ব্যক্তি তেতিয়াহে এখন সমাজৰ সদস্য হৈ থাকিব পাৰে যেতিয়া তেওঁৰ সমাজৰ আন সদস্যবোৰৰ লগত শুভ ইচ্ছা আৰু মানসিক যোগাযোগ থাকে। শুভ ইচ্ছা আৰু সচেতনতা অবিহনে, সামাজিক স্পর্ক গঠন হ'ব নোৱাৰে। সেয়েহে, সমাজৰ সদস্যবোৰৰ মাজত সহায় সহযোগ আৰু সামাজিক সম্পর্কবোৰৰ প্রতি সচেতনতাক সমাজৰ এটা আৱশ্যকীয় বৈশিষ্ট্য বুলি গণ্য কৰা হয়।

১৭ নং প্রশ্নৰ উত্তৰঃ চিকাৰী আৰু খাদ্য-সংগ্রহী সমাজ, ধর্ম যাজকৰ সমাজ, মাটি আৰু খেতি সম্পর্কীয় সমাজ, আধুনিক সমাজ আৰু উদ্যোগিক সমাজ

১৮ নং প্রশ্নৰ উত্তৰঃ চিকাৰী আৰু খাদ্য সংগ্রহী সমাজ

১৯ নং প্রশ্নৰ উত্তৰঃ ইয়াক এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ দেশবোৰত পোৱা যায়।

২০ নং প্রশ্নৰ উত্তৰঃ এই সমাজবোৰে জীৱ-জন্তু যেনে গৰু , ছাগলী, ভেড়া, উট আৰু ঘোঁৰাৰ পালন আৰু জন্মৰ কাম কৰিছিল। এনে ধৰণৰ সমাজ এছিয়া, আফ্রিকা আৰু মধ্য পূর্বৰ দেশবোৰৰ অংশত পোৱা যায়। যিহেতু এই সমাজবোৰ সম্পূর্ণৰূপে ঘৰচীয়া জীৱ- জন্তুৰ ওপৰতে নির্ভৰ কৰিছিল, সেয়েহে তেওঁলোকে সদায় ঘন ঘাঁহনি, পর্বত-পাহাৰৰ এলেকাত আৰু মৰুভূমিত বাস কৰিছিল।

২১ নং প্রশ্নৰ উত্তৰঃ ৰোম, চীন আৰু ইণ্ডাচ ভেলী সভ্যতা আৰু মায়ান সভ্যতা।



১.৯ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কোনটো লেটিন শব্দৰ পৰা 'Society' শব্দটোৰ সৃষ্টি হৈছে?

প্রশ্ন ২ঃ কাৰ মতে, সমাজ হ'ল সামাজিক সম্বন্ধৰ এক জটিল জাল?

প্রশ্ন ৩ঃ সমাজৰ উপাদানবোৰ কি কি?

প্রশ্ন ৪ঃ স্বভাৱত ঃ মানুহ এক সামাজিক প্রাণী। কোনে কৈছিল?

প্রশ্ন ৫ঃ 'জোৰ যাৰ মুলুক তাৰ' ধাৰণাটোৰ দ্বাৰা কি বুজে?

প্ৰশ্ন ৬ঃ Origin of Species নামৰ গ্ৰন্থখনিৰ লিখক কোন?

(খ) চুটি প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০ টা মান শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ঃ সমাজৰ উপাদানবোৰ চমুকৈ আলোচনা কৰক

প্ৰশ্ন ২ঃ সাদৃশ্যতা মানে কি বুজা? চমুকৈ আলোচনা কৰক

প্ৰশ্ন ৩ঃ সমাজত কেনেকৈ সামাজিক সম্পৰ্কৰ সৃষ্টি হয়? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ঃ আধুনিক ঔদ্যোগিক সমাজৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন ৫ঃ খেতি আৰু মাটি বিষয়ক সমাজ বুলিলে কি বুজে? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৬ঃ ধৰ্ম যাজকৰ সমাজৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৭ঃ সামাজিক চুক্তি তত্ত্ব বুলিলে কি বুজা? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৮ঃ স্বাভাৱিক তত্ত্বৰ বিষয়ে এটি চমুটোকা লিখক।

(গ) দীঘল প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০ টা মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ সমাজত প্ৰকাৰবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ২ঃ সমাজৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ সমাজৰ উপাদানবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৪ঃ সমাজ মানে কি? মানৱ সমাজৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৫ঃ সমাজৰ উৎপত্তি আৰু বিৱৰ্তন মানে কি বুজে? আলোচনা কৰক।

প্ৰশ্ন ৬ঃ সমাজ কেনেকৈ আধুনিক ঔদ্যোগিক সমাজলৈ পৰিৱৰ্তন হ'ল? আলোচনা কৰক।

প্ৰশ্ন ৭ঃ সমাজৰ উৎপত্তি সম্পৰ্কে থকা তত্ত্ববোৰ আলোচনা কৰক।

** ***** **